**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2025
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। ড০ শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিস্তৃত বিনিয়োগ সম্ভাৱনা উদঘাটন কৰাৰ বাবে সহায় আগবঢ়াবলৈও তেওঁলোকক অনুৰোধ জনায়। ড০ শৰ্মাই আজি দেশৰ এটা আগশাৰীৰ ব্যক্তিগত বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদিশনক সাক্ষাৎ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে অৱগত কৰে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে দক্ষ আৰু অনুশাসন মানি চলা কৰ্মশক্তিৰ জৰিয়তে দেশৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগক কেইবাটাও সুযোগ প্ৰদান কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে আজি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্মিলনৰ সজাগতা সৃষ্টিৰ বাবে এটা বিশেষ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

oooooooo

আজি ৰাষ্ট্ৰীয় পক্ষী দিৱস। বিভিন্ন বিলুপ্তপ্ৰায় পক্ষী প্ৰজাতি সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। অসমতো পক্ষী দিৱসৰ কাৰ্যসূচী লোৱা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১১ পৰা ১৩ জানুৱাৰীলৈ স্থায়ী জলচৰ আৰু পৰিভ্ৰমী পক্ষীৰ গণনা কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প এলেকাৰ পূব অসম বন্যপ্ৰাণী বন সংমণ্ডল, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ লগতে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল এলেকাত ষষ্ঠবাৰৰ বাবে এই বিশেষ পক্ষী গণনা কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়াই এই বিষয়ে জানিবলৈ দিয়ে। কাজিৰঙাত হ'বলগীয়া এই গণনাত বন বিভাগৰ বিষয়া কৰ্মচাৰী, স্বেচ্ছাসেৱী সংগঠনৰ সদস্যৰ লগতে দাঁতিকাষৰীয়া বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলকো প্ৰশিক্ষণ দি গণনা কাৰ্যসূচীত নিয়োগ কৰা হ'ব বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় উদ্যানৰ বিল,জলাশয় আদি বিগত বৰ্ষত কৰা গণনাত ৮৮ হাজাৰ ৭১০ টা চৰাই পোৱা গৈছে। ১৮৪ বিধ বিভিন্ন প্ৰজাতিৰ চৰাই এই গণনাত পৰিলক্ষিত হৈছিল।

ৰাজ্যিক পক্ষী দেওহাঁহৰ সংৰক্ষণৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যানত যোৱা বছৰৰ পৰা গ্ৰহণ কৰা বিশেষ প্ৰকল্পৰ ফলত উদ্যানখনত দেওহাঁহৰ সংখ্যা বৃদ্ধি পাইছে। দুষ্প্ৰাপ্য প্ৰজাতিৰ এই পক্ষীবিধ পূৰ্বে বিহালী সংৰক্ষিত বনাঞ্চল, ডুমডুমা, ডিব্ৰু-চৈখোৱা, দিহিং-পাটকাইকে ধৰি কেইবাখনো বনাঞ্চলত পোৱা গৈছিল যদিও পৰৱৰ্তী সময়ত অন্য বনাঞ্চলসমূহত দেওহাঁহৰ অস্তিত্ব প্ৰায় নাইকিয়া হৈ পৰে। দিহিং পাটকাই আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানতহে এই দুষ্প্ৰাপ্য প্ৰজাতিৰ পক্ষীবিধ বৰ্তি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যোৱাবছৰ নামেৰিত এই প্ৰকল্প আৰম্ভ কৰে। ইয়াৰ অধীনত দেওহাঁহৰ বিচৰণ ক্ষেত্ৰ তথা বিলসমূহৰ চোৱাচিতা কৰাৰ লগতে এই

পক্ষীবিধৰ উপযোগীকৈ তিনিখন বিল সাজু কৰি তোলা হয়। তিনিওখন বিললৈ যথেষ্ট সংখ্যক দেওহাঁহৰ আগমন ঘটাৰ ফলত পক্ষীবিধৰ আশা ব্যঞ্জকভাৱে বংশবৃদ্ধি হৈছে বুলি উদ্যানখনৰ সূত্ৰই প্ৰকাশ কৰে। বৰ্তমান উদ্যানখনত থকা ৭০ৰ পৰা ৮০ টা দেওহাঁহ চাবলৈ দেশ-বিদেশৰ অগণন পৰ্যটকৰ আগমন ঘটে। উদ্যানখনত এই পক্ষীবিধৰ গতি-বিধি নিৰূপণৰ বাবে কমেও দুটা পক্ষীৰ দেহত ৰেডিঅ'কলাৰ নামৰ বিশেষ সঁজুলি সংস্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি নামেৰি ৰাষ্ট্ৰীয় উদ্যানৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooooo

পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কামৰূপ জিলাৰ চানডুবি উৎসৱৰ আজি সামৰণি পৰিছে। বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান আৰু বিয়লি সমূহীয়া জুইৰে আজি চানডুবি মেলাৰ সামৰণি পৰে। আজি অন্তিম দিনাও মেলাথলীত বহু লোকৰ সমাগম হয। উল্লেখযোগ্য যে, বিগত ১৫ বছৰে চানডুবিৰ জৈৱ বৈচিত্ৰ্য তথা ইয়াৰ দাঁতিকাষৰীয়া জনগোষ্ঠীয় লোকসকলৰ কৃষ্টি-সংস্কৃতিৰ ৰক্ষা আৰু সংৰক্ষণৰ বাবে চানডুবি উৎসৱৰ আয়োজন কৰি অহা হৈছে। চানডুবি বিল আৰু কাষৰীয়া অঞ্চলৰ পৰ্যটনৰ সম্ভাৱনা বিকাশৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এই উৎসৱৰ আয়োজন কৰা হয়। উৎসৱৰ অংশ হিচাপে জনগোষ্ঠীয় খাদ্যমেলা, হস্তত‍াঁত বস্ত্ৰ বিপণী আৰু বিভিন্ন লোকসংস্কৃতি অনুষ্ঠানৰ আয়োজন কৰা হয়।

oooooooo

গুৱাহাটীৰ দীপৰ বিল পাচপাৰা সমবায় সমিতিৰ উদ্যোগত আজিৰেপৰা দীপৰ বিলত সমূহীয়া মাছ ধৰা উৎসৱ আৰম্ভ হৈছে। এই উপলক্ষে আজি পুৱাৰে পৰা বিলৰ পাৰত উখল-মাখল পৰিবেশৰ সৃষ্টি হয়। বিলত আন প্ৰজাতিৰ তুলনাত ঘাইকৈ ৰৌ, ভকুৱা, বৰালী মাছ আদি মাছমৰীয়াৰ জালত পৰিছে যদিও এইবেলি পূৰ্বৰ বৰ্ষবোৰৰ তুলনাত মাছ কমকৈ পৰা বুলি মাছমৰীয়াসকলে জানিবলৈ দিছে। সমবায় সমিতিখনৰ সভাপতি আৰু সম্পাদকে জনোৱা মতে মাঘ বিহুৰ উৰুকাৰ সময়লৈকে এই সমূহীয়া মাছ ধৰা পৰ্ব অব্যাহত থাকিব।

oooooooo

দিব্যাংগ হৈও শাৰীৰিক প্ৰতিবন্ধকতাত নেওচি সাহিত্য সাধনাৰে অসমীয়া সাহিত্যৰ ক্ষেত্ৰলৈ অৱদান আগবঢ়াই যোৱা অনন্তৰাম দাসৰ ৯৭ সংখ্যক জন্মদিন উপলক্ষে আজি বৰপেটাত তেওঁৰ স্মৃতিত আগবঢ়োৱা বঁটাসমূহ প্ৰদান কৰা হয়। বৰপেটা সাহিত্য সভাৰ অম্বিকাগিৰি বাণীকান্ত ভৱনত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত অভিনেতা পৰিচালক প্ৰমোদ দাসক এই বঁটা প্ৰদান কৰা হয়। এই সভাতে অনন্তৰাম দাস স্মৃতি প্ৰকাশনৰ পৃষ্ঠপোষক জ্ঞানদা বালা স্মৃতিত লোকশিল্পী কণিকা দাসক বঁটা প্ৰদান কৰা হয়। একেদৰে অভিনেত্ৰী দেৱজানী গায়নক নিভাৰাণী দাস স্মৃতি বঁটা প্ৰদান কৰা হয়। নিজৰ ভাষণত সভাপতি শ্ৰীমিশ্ৰই অনন্তৰাম দাসৰ সৃষ্টিৰ বিষয়ে জনমানসত প্ৰচাৰ কৰাৰ বাবে স্মৃতি প্ৰকাশনক ধন্যবাদ জ্ঞাপন কৰে।

oooooooo

পৰ্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ভাৰতীয় ৰে'লৰে ৰাজস্থানৰ ৰাণা প্ৰতাপ নগৰ আৰু কামাখ্যাৰ মাজত এখন ভাৰত গৌৰৱ বিশেষ ৰে'ল চলাচল কৰাইছে। কালি ৰাণা প্ৰতাপ নগৰৰ পৰা যাত্ৰা আৰম্ভ কৰা ৰে'লগাড়ীখন কাইলৈ দুপৰীয়া ২বাজি ২৫ মিনিটত কামাখ্যা ষ্টেচনত উপস্থিত হ'ব। ৰে'লখনত অহা পৰ্যটকসকলে বিভিন্ন স্থান ভ্ৰমণ কৰিব পৰাকৈ দুদিন বিৰতি লয় ৭ জানুৱাৰীৰ বিয়লি ৫ বাজি ১৫ মিনিটত কামাখ্যাৰ পৰা প্ৰস্থান কৰিব। উত্তৰ পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই এটা প্ৰেছ বিজ্ঞপ্তি যোগে

প্ৰকাশ কৰা মতে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্য উদযাপনেৰে অনন্য ভ্ৰমণ অভিজ্ঞতা প্ৰদান কৰাই হৈছে এই ভাৰত গৌৰৱ বিশেষ ৰে'ল চলাচলৰ উদ্দেশ্যে।

oooooooo

**সমাপ্ত**